নগাঁও বিশ্ববিদ্যালয়
NAGAON UNIVERSITY
OLD A.T. ROAD, NAGAON-782001, ASSAM
Estd :: 2023

*Dhrubajyoti Baruah,* M.A.
Registrar (i/c)

Phone : 7002481571 (M)

Ref:

Date : 16/08/2025

**নগাঁও বিশ্ববিদ্যালয়ৰ ভৱিষ্য-দৰ্শন দস্তাবেজ (Vision Document) ২০২৫ত সম্ভাব্য অন্তৰ্ভুক্তিৰ বাবে সকলো অংশীদাৰৰ পৰা লিখিত পৰামৰ্শ আমন্ত্ৰণ জনোৱা ৰাজহুৱা জাননী**

মান্যবৰ,

নগাঁও বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা গ্ৰহণ কৰিব।

আপোনালোক অৱগত যে বিশিষ্ট শিক্ষাবিদ ড° হিতেশ ডেকাদেৱে ইতিমধ্যে নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰথমজন উপাচাৰ্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। মাননীয় উপাচাৰ্য মহোদয়ৰ সবল নেতৃত্বত আমি নগাঁও বিশ্ববিদ্যালয়ৰ পৰিয়ালে সামাজিক দায়বদ্ধতাৰ দৰ্শনৰ ভেঁটিত নগাঁও বিশ্ববিদ্যালয়ক এখন প্ৰকৃতাৰ্থত 'ৰাইজৰ বিশ্ববিদ্যালয়' হিচাপে গঢ়ি তোলাৰ সপোন দেখিছোঁ। সেই উদ্দেশ্য সাৰোগত কৰি যোৱা ০৯/০৮/২০২৫ তাৰিখে "নগাঁও বিশ্ববিদ্যালয় ঃ সপোন আৰু বাস্তৱ" শীৰ্ষক এখনি মনোজ্ঞ মত-বিনিময় অনুষ্ঠান আয়োজন কৰা হৈছিল। সেই অনুষ্ঠানত আপোনালোকৰ সক্ৰিয় অংশগ্ৰহণ, দিহা-পৰামৰ্শ আদিয়ে আমাক আনন্দিত আৰু অনুপ্ৰাণিত কৰিলে।

ইতিমধ্যে, কিছু হ্ৰস্বম্যাদী আৰু কিছু দীৰ্ঘম্যাদী পৰিকল্পনাৰে নগাঁও বিশ্ববিদ্যালয় ভৱিষ্য-দৰ্শন দস্তাবেজ (Vision Document) প্ৰস্তুতিৰ যো-জা কৰা হৈছে। ইয়াৰ অংশৰূপে ৫, ১০, ২৫, ৫০ তথা অনাগত ১০০ বছৰত বিশ্ববিদ্যালয়খনৰ ৰূপৰেখা নিৰ্মাণৰ পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰা হ'ল। ভৱিষ্য-দৰ্শন দস্তাবেজত সম্ভাব্য অন্তৰ্ভুক্তিৰ বাবে আপোনালোকৰ দিহা-পৰামৰ্শ, পৰিকল্পনা তথা মতামত লিখিত আকাৰে পিডিএফ বা ৱৰ্ড ফৰ্মেটত ৩১ আগষ্ট, ২০২৫ৰ ভিতৰত নিম্নোক্ত ই-মেইল ঠিকনাত পঠিয়াবলৈ অনুৰোধ জনালোঁ।

E-mail : visionnagaonuniversity@gmail.com

আপোনালোকৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা নগাঁও বিশ্ববিদ্যালয়ৰ বাবে চিৰ পাথেয় হৈ ৰ'ব।

আন্তৰিক শুভেচ্ছাৰে

(ধ্ৰুৱজ্যোতি বৰুৱা)
পঞ্জীয়ক (ভাৰপ্ৰাপ্ত)
নগাঁও বিশ্ববিদ্যালয়